# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-07-2024
**Time :** 0900 Hrs

# *Assamese Morning Bulletin*
# HEADLINES

১। জনতা ভৱনৰ লোকসেৱা ভৱনত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত জিলা আয়ুক্ত সন্মিলনৰ সামৰণি।
২। ৰাজ্যত শীঘ্ৰেই বিষয় শিক্ষক নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ঘোষণা।
৩। অহা ১৪ আগষ্টত চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তিৰ বাবে কাউঞ্চেলিং আৰম্ভ।
৪। কেৰালাৰ ৱায়নাড জিলাৰ ভয়াৱহ ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যা ১২০ লৈ বৃদ্ধি।

*আৰু*

৫। পেৰিছ্ অলিম্পিকত আজি অসম কন্যা লাভলীনা বৰগোহাঁইৰ নিজৰ খেল আৰম্ভ।

0000000

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত গুৱাহাটীৰ লোকসেৱা ভৱনত দুদিনীয়াকৈ অনুষ্ঠিত জিলা আয়ুক্ত সন্মিলনৰ কালি সামৰণি পৰে। অসম মন্ত্ৰীসভাৰ সদস্য আৰু চৰকাৰৰ শীৰ্ষ বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত এই সন্মিলনত ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাক জনসাধাৰণৰ ওচৰ চপাই নিয়াৰ উদ্দেশ্যে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

সন্মিলনৰ প্ৰথমটো দিনৰ প্ৰায় ১৩ ঘণ্টীয়া বৈঠকখনত ৰাজ্যখনত ভি আই পি সংস্কৃতি বন্ধ কৰা, মুখ্যমন্ত্ৰীয়ে কোনো জিলা ভ্ৰমণলৈ গ'লে কনভয়ত বাহনৰ সংখ্যা ১০ৰ পৰা ১২ৰ ভিতৰত সীমিত ৰখা, মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰ সময়ছোৱাত নিৰাপত্তাৰ নামত বাঁহৰ বেৰিকেড দি জনসাধাৰণক হাৰাশাস্তি কৰাৰ পৰা বিৰত থকা, মুখ্যমন্ত্ৰী তথা মন্ত্ৰীসকলক আপ্যায়নৰ ক্ষেত্ৰত ৰাজকীয় আহাৰৰ আয়োজনৰ পৰা বিৰত থকা আদি বহু সংস্কাৰমূলক পদক্ষেপ গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰী ড০ শৰ্মাই জিলা আয়ুক্তসকলক আহ্বান জনায়। অনুৰূপ ধৰণে অহা ২ অক্টোবৰৰ পৰা ৰাজ্যৰ উপ-জিলাসমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্তসকলক নীতি-নিৰ্দেশনা প্ৰদান কৰে। সামৰণী বৈঠকত মুখ্যমন্ত্ৰী ড০ শৰ্মাই, ৰাজ্য চৰকাৰে ইতিমধ্যে দুৰ্নীতি অবিহনে ১ লাখ নিযুক্তি সম্পূৰ্ণ কৰিবলৈ সমৰ্থ হোৱা বিষয়টোৱে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত বিশেষ গুৰুত্ব লাভ কৰিছে বুলি প্ৰকাশ কৰে। তেওঁ লগতে কয় যে অহা ২ অক্টোবৰত ৰাজ্যত মিছন বসুন্ধৰা ৩.০ আৰম্ভ হ'ব। অহা নৱেম্বৰ-ডিচেম্বৰৰ পৰা বাল্য বিবাহৰ বিৰুদ্ধে পুনৰ অভিযান আৰম্ভ কৰাৰ লগতে নিযুত মইনা আঁচনি আৰু মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ কাম আৰম্ভ কৰা হ'ব।

000000

শিক্ষা বিভাগে ৰাজ্যৰ বিদ্যালয়সমূহত নতুন শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত বিশেষ পৰিৱৰ্তন অনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰে। শিক্ষামন্ত্ৰীগৰাকীৰ মতে নতুনকৈ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত শিক্ষকসকলক বিষয় শিক্ষক হিচাপে নামকৰণ কৰা হ'ব। ইতিমধ্যে শিক্ষা বিভাগে কোন কোন বিষয়ত শিক্ষকৰ নাটনি আছে সেই বিষয়ে শিক্ষামন্ত্ৰীগৰাকীক অৱগত কৰে। শেহতীয়াকৈ শিক্ষা সেতু এপৰ জৰিয়তে এই তথ্য আহৰণ কৰা হৈছে। অনাগত সময়ত শিক্ষক নিযুক্তি পৰীক্ষা জৰিয়তে খালী পদসমূহত শিক্ষক নিযুক্তি দিয়াৰ কথা শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

00000000

দেশৰ চিকিৎসা মহাবিদ্যালয়সমূহত চলিত বৰ্ষৰ এম বি বি এছ্, বি ডি এছ্ আদি পাঠ্যক্ৰমত নামভৰ্তিৰ কাউঞ্চেলিঙৰ বাবে পঞ্জীয়ন প্ৰক্ৰিয়া আগষ্ট মাহৰ প্ৰথম সপ্তাহত আৰম্ভ হ'ব। মেডিকেল কাউঞ্চেলিং কমিটীয়ে এই কথা প্ৰকাশ কৰি লগতে কয় যে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তিৰ বাবে কাউঞ্চেলিং পৰ্ব অহা ১৪ আগষ্টত আৰম্ভ হ'ব।

ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ অধ্যক্ষ ডাঃ বি শ্ৰীনিবাসে, পঞ্জীয়ন আৰু কাউঞ্চেলিং সম্পৰ্কীয় সকলোধৰণৰ অগ্ৰগতিৰ বিষয়ে অৱগত হ'বলৈ শিক্ষাৰ্থীসকলক মেডিকেল কাউঞ্চেলিং কমিটীৰ ৱেবছাইটত দৃষ্টি ৰাখিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে এই কাউঞ্চেলিঙৰ জৰিয়তে এম বি বি এছ্ পাঠ্যক্ৰমত দেশৰ পৰা ১ লাখ ১০ হাজাৰ আৰু বি ডি এছ্ৰ প্ৰায় ২১ হাজাৰ আসনৰ লগতে আয়ুস মন্ত্ৰালয়ৰ অধীনৰ পাঠ্যক্ৰমতো নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। সূচী অনুসৰি অহা ১৪ আগষ্টৰ পৰা ২১ আগষ্টলৈ কাউঞ্চেলিং সম্পন্ন হোৱাৰ পাছত ২৩ আগষ্টত আসন আবণ্টনৰ ফলাফল ঘোষণা কৰা হ'ব। আনহাতে, ৬ ছেপ্তেম্বৰৰ পৰা ১০ ছেপ্তেম্বৰলৈ দ্বিতীয় পৰ্যায়ৰ কাউঞ্চেলিং সম্পন্ন হোৱাৰ পাছত দ্বিতীয় পৰ্যায়ৰ আসন আবণ্টন ১১ আৰু ১২ ছেপ্তেম্বৰত আৰু তৃতীয় তথা অন্তিম পৰ্যায়ৰ আবণ্টন প্ৰক্ৰিয়া ১৩ ছেপ্তেম্বৰত সম্পূৰ্ণ হ'ব।

একেদৰে, চলিত বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীট পি জি অহা ১১ আগষ্টত অনুষ্ঠিত হ'ব বুলিও ঘোষণা কৰা হৈছে। এই পৰীক্ষাৰ বাবে পৰীক্ষাৰ্থীসকলে nbe.edu.in ৱেবছাইটৰ পৰা অহা ৮ আগষ্টত প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব বুলি পৰীক্ষাৰ দায়িত্বত থকা সংস্থা National Board of Examinations in Medical Sciences, NBEMS ৰ পৰা প্ৰকাশ কৰা হৈছে। নীট পি জিৰ এই পৰীক্ষাৰ ফলাফলৰ ওপৰত ভিত্তি কৰি চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ আসনসমূহ পূৰণ কৰা হ'ব।

০০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে স্বাস্থ্য খণ্ডত সজাগতা সৃষ্টিৰ বিশেষ ব্যৱস্থা কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধ পান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসুতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নাট শাখাৰ কণ্ঠস্বৰ পৰীক্ষা অৰ্থাৎ অডিচনৰ বাবে নিৰ্দিষ্ট কৰা দিনৰ সালসলনি ঘটোৱা হৈছে। নাট শাখাৰ পৰা জনোৱা মতে অনিবাৰ্য্য কাৰণবশতঃ অহা ২ আগষ্টৰ পৰা অনুষ্ঠিত হ'বলগীয়া পূৰ্ব ঘোষিত কণ্ঠস্বৰ পৰীক্ষাৰ সূচী নতুনকৈ ঘোষণা কৰা হৈছে। নতুন তাৰিখ অনুসৰি অহা ৩ ছেপ্তেম্বৰৰ পৰা ২০ ছেপ্তেম্বৰলৈকে এই অ'ডিচন সম্পন্ন হ'ব। নতুনকৈ আবেদন কৰা শিশু শিল্পী আৰু বি-গ্ৰেডৰ উপৰি বি-হাইগ্ৰেডৰ বাবেও একেলগে অডিচন সম্পন্ন হ'ব। প্ৰাৰ্থীসকললৈ কণ্ঠস্বৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰ ডাক যোগে পঠিওৱা হ'ব আৰু প্ৰত্যেকৰে ম'বাইলত অডিচনৰ তাৰিখ আৰু সময় সম্পৰ্কে বাৰ্তা প্ৰেৰণ কৰা হ'ব। যদি আবেদন কৰা কোনো প্ৰাৰ্থীয়ে এই দুয়োটা মাধ্যমৰ এটাৰ জৰিয়তেও নিজৰ কণ্ঠস্বৰ পৰীক্ষাৰ দিন-সময় সম্পৰ্কে অৱগত নহয় তেন্তে তেওঁলোকে অহা ২০ আগষ্টৰ পাছত ৯৪০১০-৮৩০১৮ নম্বৰত হোৱাটছ-এপ যোগে যোগাযোগ কৰিব পাৰিব। পৰীক্ষাত উত্তীৰ্ণ হৈ কেন্দ্ৰটোৰ নাট শাখাৰ অভিনয় শিল্পীৰ স্বীকৃতি পোৱাসকলৰ তালিকা ২৪ ছেপ্তেম্বৰৰ বিয়লি ৩ বজাত প্ৰকাশ কৰা হ'ব।

০০০০০০০০

কেৰালাৰ ৱায়ানাডত ভূমিস্খলনত নিহতৰ সংখ্যা 135 লৈ বৃদ্ধি পাইছে। সেনা, বায়ুসেনা আৰু নৌসেনাৰ সমন্বিত প্ৰচেষ্টাত চাৰি শতাধিক লোকক ধ্বংসাৱশেষৰ পৰা উদ্ধাৰ কৰা হৈছে। আৱদ্ধ লোকসকলক উদ্ধাৰ কৰি বায়ুসেনাই বিশেষ বিমানৰ জৰিয়তে চিকিৎসালয়লৈ প্ৰেৰণৰ ব্যৱস্থা কৰে। সেনাই জনোৱা মতে, মুণ্ডাক্কাই গাঁৱৰ পৰা প্ৰায় ডেৰশ জন লোকক উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। ভাৰতীয় সেনাই মানৱীয় আৰু দুৰ্যোগ সাহায্যৰ প্ৰয়াসক ফলপ্ৰসু কৰিবলৈ কোজিকোডত এটা নিয়ন্ত্ৰণ কক্ষও স্থাপন কৰিছে। জিলাখনত ৪৫টা সাহায্য শিবিৰ মুকলি কৰি ৩,০৬৯ জন লোকক আশ্ৰয় প্ৰদান কৰা হৈছে। কেৰালাৰ ৰাজ্যপাল আৰিফ মহম্মদ খান আৰু লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে আজি ৱায়নাড ভ্ৰমণ কৰিব। ৱায়নাড, থ্ৰিছুৰ, কাছাৰাগোড, পাথানামথিটা, মালাপ্পুৰম, কান্নুৰ, এৰ্নাকুলাম, ইডুক্কি, পলাক্কাড আৰু কোজিকোডেৰ সকলো শিক্ষানুষ্ঠান ইতিমধ্যে বন্ধ ঘোষণা কৰা হৈছে।

০০০০০০০০

ভাৰতীয় ৰেল নীতিৰ সৈতে সংগতি ৰাখি উত্তৰ পূব সীমান্ত ৰেল ২০৩০ চনৰ ভিতৰত শূণ্য কাৰ্বন নিৰ্গমনৰ লক্ষ্যত উপনীত হ'বলৈ অগ্ৰসৰ হৈছে। জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ প্ৰয়াসেৰে উত্তৰ পূব সীমান্ত ৰেলৱেই সমগ্ৰ সংমণ্ডল সেৱা ভৱন আৰু অন্যান্য প্ৰতিষ্ঠানসমূহত মুধচৰ ওপৰৰ সৌৰ শক্তি স্থাপনেৰে অধিক সেউজ শক্তি উৎপাদনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। নবীকৰণযোগ্য শক্তিৰ জৰিয়তে নিজৰ চাহিদা পূৰণ কৰিবলৈ উত্তৰ-পূব সীমান্ত ৰেলৱেই নবীকৰণযোগ্য উৎসৰ পৰা ১ দশমিক ৪-৫ মিলিয়ন ইউনিট শক্তি উৎপাদন কৰিছে, যাৰ ফলত যোৱা এপ্ৰিল-

জুনৰ ভিতৰত ৯৭ দশমিক ৯ লাখ টকা ৰাহি হৈছে। গো গ্ৰীণ অভিযানৰ অধীনত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ অধীনৰ অসম আৰু ত্ৰিপুৰাৰ ২৪টা বিভিন্ন ষ্টেশ্যন আৰু অন্যান্য সেৱাসমূহত এই সৌৰ শক্তিৰ পেনেলসমূহ সংযোজিত কৰা হৈছে।

০০০০০০০০

অসমৰ ডাঃ নম্ৰতা দাসলৈ ক্লিনিকেল অংক'ল'জীৰ ৰয়েল কলেজ অব্ ৰেডিঅ'ল'জিষ্ট লণ্ডনৰ সন্মানীয় ফেল'শ্বিপ আগবঢ়োৱা হৈছে। এইমছ ভূৱনেশ্বৰৰ পৰা এম বি বি এছ ডিগ্ৰী লাভ কৰা ডাঃ দাসে এইমছ দিল্লীৰ পৰা তিনিবছৰীয়া ছিনিয়ৰ ৰেচিডেন্সি সম্পূৰ্ণ কৰিছে। তেওঁ বৰ্তমান ব্ৰিটেইনত প্ৰট'ন থেৰাপিৰ ক্লিনিকেল ফেল' হিচাপে অধ্যয়ন কৰি আছে।

০০০০০০০০

অসম কন্যা লাভলীনা বৰগোহাঁয়ে পেৰিছ অলিম্পিকত আজি  নিজৰ খেল আৰম্ভ কৰিব। প্ৰতিযোগিতাৰ বক্সিঙৰ মিডল ৱেট শিতানৰ ৭৫ কিলোগ্ৰাম শাখাৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত তেওঁ নৰৱেৰ ছুন্নীভা হফষ্টাডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৩ বাজি ৫০ মিনিটত আৰম্ভ হ'ব। টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক দখলেৰে অসম তথা দেশলৈ গৌৰৱ কঢ়িয়াই অনা লাভলীনাৰ আজিৰ খেললৈ ৰাজ্য আৰু দেশৰ অনুৰাগীসকলে আগ্ৰহেৰে অপেক্ষা কৰিছে। উল্লেখযোগ্য যে পূৰ্বে ৬৯ কিলোগ্ৰাম শাখাত অংশগ্ৰহণ কৰা খেলুৱৈগৰাকী এইবেলি প্ৰথমবাৰৰ বাবে ৭৫ কিলোগ্ৰাম শাখাত অৱতীৰ্ণ হ'ব। তেওঁৰ বিৰুদ্ধে  অৱতীৰ্ণ হ'বলগীয়া নৰৱেৰ খেলুৱৈগৰাকীও শক্তিশালী প্ৰতিদ্বন্দ্বী হিচাপে পৰিগণিত হৈছে।

আনহাতে, প্ৰতিযোগিতাৰ আজি পঞ্চম দিনা ভাৰতীয় বক্সাৰ, আৰ্চাৰ, শ্বুটাৰ আৰু শ্বাটলাৰসকল নিজ নিজ শাখাৰ খেলত অৱতীৰ্ণ হ'ব। শ্বুটিঙত ঐশ্বৰী প্ৰতাপ সিং টোমৰ পুৰুষৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানৰ যোগ্যতা নিৰূপণ পৰ্যায়ৰ যুঁজত অৱতীৰ্ণ হ'ব। একেদৰে মহিলাৰ ট্ৰেপ শ্বুটিঙৰ যোগ্যতা নিৰূপণ পৰ্যায়ৰ প্ৰথম দিনা ৬৮ পইণ্টকৈ লাভ কৰা শ্ৰেয়াশী সিং আৰু ৰাজেশ্বৰী কুমাৰী আজি যোগ্যতা নিৰূপণ পৰ্যায়ৰ দ্বিতীয় ৰাউণ্ডত অৱতীৰ্ণ হ'ব। আনহাতে, অনুজ আগৰৱালে অশ্বচালনা প্ৰশিক্ষণৰ ব্যক্তিগত শিতানত ভাগ ল'ব।

বেডমিণ্টনত পুৰুষৰ ছিংগলছত লক্ষ্য সেন ইণ্ডোনেছিয়াৰ জোনাতন কৃষ্টিৰ সন্মুখীন হোৱাৰ বিপৰীতে এইছ এছ প্ৰণয় ভিয়েটনামৰ ড্যুক ফেট লে'ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে, মহিলাৰ ছিংগলছত পি ভি সিন্ধু ইষ্টোনিয়াৰ ক্ৰিষ্টিন কিউবাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

শ্ৰীজা অকুলা টেবুল টেনিছৰ এখন খেলত ছিংগাপুৰৰ চিয়ান জেঙৰ সন্মুখীন হ'ব।

আৰ্চাৰীত তৰুণদীপ ৰায় আৰু দীপিকা কুমাৰীয়ে ক্ৰমে পুৰুষ আৰু মহিলাৰ এলিমিনেচন ৰাউণ্ডত দেশক প্ৰতিনিধিত্ব কৰিব। উল্লেখযোগ্য যে ভাৰতে এইবাৰৰ অলিম্পিকত শ্বুটিং শিতানৰ জৰিয়তে বৰ্তমানলৈ মুঠ দুটা পদক লাভ কৰিছে। দেশৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰা মনু ভাকেৰ আৰু সৰৱজোৎ সিঙে কালি প্ৰতিযোগিতাৰ ১০ মিটাৰ এয়াৰ পিষ্টলৰ মিক্সড শাখাৰ দলীয় শিতানত ব্ৰঞ্জৰ পদক লাভ কৰে। মনু ভাকেৰে এই পদক লাভেৰে একেখন অলিম্পিকতে দুটাকৈ পদক জয় কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে অভিলেখ ৰচিলে। ইয়াৰ পূৰ্বে দেওবাৰে তেওঁ মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টল ইভেণ্টত ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

০০০০০০০০

শ্ৰীলংকাৰ পাল্লাকেলেত ভাৰত আৰু শ্ৰীলংকাৰ মাজত যোৱা নিশা অনুষ্ঠিত হোৱা টি-২০ শৃংখলাৰ অন্তিমখন খেলত ভাৰতে শ্ৰীলংকাক ছুপাৰ অভাৰত পৰাজিত কৰে। খেলখনত ভাৰতে প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত অভাৰত ৯টা উইকেট হেৰুৱাই ১৩৭ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ শুভমন গিলে ৩৯ আৰু ৰিয়ান পৰাগে ২৬ ৰাণৰ বৰঙণি আগবঢ়ায়। আনহাতে, খেলখনত শ্ৰীলংকাই সুন্দৰ আৰম্ভণি কৰে যদিও অন্তিম ৪টা অভাৰত ক্ৰমাগতভাৱে উইকেট হেৰুৱাই ১৩৭ ৰাণত ইনিংছ সমাপ্ত কৰে। ইয়াৰ ফলত ছুপাৰ অভাৰৰ সহায় ল'বলগীয়া হয়। শ্ৰীলংকাই কেৱল ২ ৰাণহে সংগ্ৰহ কৰাৰ বিপৰীতে ভাৰতৰ অধিনায়ক সূৰ্য কুমাৰ যাদৱে এটা বাউণ্ডেৰী কোবাই খেলখন নিজৰ হাতলৈ আনে। এই জয়ৰ জৰিয়তে ভাৰতে শ্ৰীলংকাক হোৱাইট ওৱাছ কৰিবলৈ সমৰ্থ হয়। খেলখনত ৱাশ্বিংটন সুন্দৰক প্লেয়াৰ অব দ্য মেচ আৰু সূৰ্য কুমাৰ যাদৱক প্লেয়াৰ অব দ্য চিৰিজ ঘোষণা কৰা হয়।

০০০০০০০০

বজালী জিলাৰ পাঠশালাৰ লাচিত নগৰ নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক, অসম আন্দোলনৰ সক্ৰিয় অংশগ্ৰহণকাৰী নৃপেন্দ্ৰ নাথ ৰায়ৰ কালি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭০ বছৰ। প্ৰয়াত ৰায় চাপাগুৰি ককলাবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি আৰু বাক্সাৰ বাঘজানীত থকা শ্ৰীশ্ৰী শংকৰদেৱ বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক আছিল। বৰপেটা জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ পৰা তেওঁ কৃতী শিক্ষকৰ বঁটাও লাভ কৰিছিল।

০০০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে নেৰানেপেৰা বৰষুণত কেৰালাৰ ৱায়নাডত হোৱা ভূমিস্খলন আৰু বানত প্ৰাণহাণি হোৱা লোকৰ সংখ্যা ১১৯লৈ বৃদ্ধি পোৱা বাতৰি ভিন ভিন শিৰোনামেৰে আজিৰ প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতত এই বাতৰিৰ শিৰোনাম কেৰালাত মৃত্যুৰ কিৰিলি, ভয়াবহ ভূমিস্খলনত শতাধিকৰ মৃত্যু। অসমীয়া প্ৰতিদিন কাকতেও এই বাতৰিটো ৱায়নাডত ভয়াবহ ভূমিস্খলন আৰু বানত ১১৯ গৰাকী লোকৰ প্ৰাণহাণি শিৰোনামেৰে প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে ৰাজ্যৰ আটাইকেইখন জিলাৰে আয়ুক্তসকলৰ সৈতে অনুষ্ঠিত সন্মিলনৰ বাতৰিটো দিছপুৰত জিলা আয়ুক্তৰ দুদিনীয়া মাৰাথন সন্মিলন, ২৫ ঘণ্টাৰো অধিক সময় আলোচনা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এমাহত তৃতীয়টো ৰেল দুৰ্ঘটনা শিৰোনামেৰে আমাৰ অসম কাকতে ঝাৰখণ্ডত হাওৰা-মুম্বাই এক্সপ্ৰেছৰ ১৮টা দবা লাইনচ্যুত আৰু দুজন যাত্ৰী নিহত হোৱাৰ বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে।

দৈনিক অগ্ৰদূত কাকতে পেৰিছ অলিম্পিকত সুদীৰ্ঘ ১২৪ বছৰ পাছত পেৰিছতে কোনো ভাৰতীয় এথলীটে একেখন অলিম্পিকতে দুটাকৈ পদক জয়ৰ কৃতিত্ব অৰ্জন কৰাৰ বাতৰি মনুৰ ইতিহাস, এতিয়া দৃষ্টি লাভলীনা শিৰোনামেৰে বিস্তৃতভাৱে প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে নতুন দিল্লীত বাজেট সম্পৰ্কীয় আলোচনাত প্ৰধানমন্ত্ৰীয়ে ভাৰত বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতিৰ দেশ হোৱাৰ দিন দূৰৈত নহয় বুলি কৰা মন্তব্যৰ বাতৰিক অন্যতম মুখ্য বাতৰিৰ স্থান দিছে।

দৈনিক অসম কাকতে লোকসভা নিৰ্বাচনৰ ফলাফলক লৈ সন্দেহ শিৰোনামেৰে ভোটদান আৰু গণনা কৰা ভোটৰ মাজত বিস্তৰ ব্যৱধান সম্পৰ্কে এ ডি আৰৰ প্ৰতিবেদনত প্ৰকাশ পোৱা তথ্যৰ বিষয়ে আজি মুখ্য বাতৰি প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ অসমৰ নতুন ৰাজ্যপাল হিচাপে শপত গ্ৰহণ কৰাৰ বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিয়াৰ সমান্তৰালকৈ দ্য ছেণ্টিনেল কাকতে বিজেপি শাসিত অন্যান্য ৰাজ্যসমূহক পাচ পেলাই অসমে সফলতাৰে আৰু স্বচ্ছতাৰে ৰাজ্যত নিযুক্তি প্ৰক্ৰিয়া সম্পাদন কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে বি বৰুৱা কেন্সাৰ প্ৰতিষ্ঠানত আয়ুষ্মান কাৰ্ড অচল, বেংক একাউণ্টত ধন নথকা গ্ৰাহকৰ পৰা ৮ হাজাৰ ৫০০ কোটি টকা জৰিমনা সংগ্ৰহ, এ আই ইউ ডি এফৰ সাধাৰণ পৰিষদৰ বৈঠকত উত্তপ্ত পৰিস্থিতি চাৰিজন বিধায়ক অনুপস্থিত ইত্যাদি।

এয়াই আছিল আজি প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ মুখ্য বাতৰিৰ এক চমু অৱলোকন।

oooooooo

সমাপ্ত